**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 30-01-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি সন্ধিয়া গুৱাহাটীৰ অটল বিহাৰী বাজপেয়ী ভৱনত ৰাজ্যিক বিজেপিৰ কৰ্ণধাৰ সমিতি আৰু নিৰ্বাচনী ব্যৱস্থাপনা সমিতিৰ সৈতে এক গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। আলোচনাত শ্ৰীশ্বাহে সমাগত বিধানসভা নিৰ্বাচন সন্দৰ্ভত গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়। ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীক দলৰ কাৰ্যালয়লৈ আদৰণি জনায়।

ইয়াৰ পূৰ্বে ডিব্ৰুগড়ত আজি এহেজাৰ ৭১৫ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। গৃহ মন্ত্ৰীগৰাকীয়ে অসমত হোৱা জন-গাঁথনি পৰিৱৰ্তনত সকলোকে বাধা আৰোপ কৰিবলৈ আহ্বান জনাই কয়, যে ৰাজ্যৰ বিজেপি চৰকাৰে ইতিমধ্যে ১ লাখ ২৬ হাজাৰ হেক্টৰ ভূমি অনুপ্ৰৱেশকাৰীৰ দখলৰ পৰা মুক্ত কৰিছে। জিলাখনৰ খনিকৰ খেলপথাৰত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে আন কেইবাগৰাকীও মন্ত্ৰী উপস্থিত থাকে। ডিব্ৰুগড়ক ৰাজ্যৰ দ্বিতীয় প্ৰশাসনিক কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ চৰকাৰৰ প্ৰচেষ্টাৰ অংশ হিচাপে শ্ৰীশ্বাহে ২৮৪ কোটি টকা ব্যয়সাপেক্ষে অসম বিধানসভাৰ দ্বিতীয়টো চৌহদ আৰু বিধায়কৰ আৱাসগৃহৰ আধাৰশিলা স্থাপন কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে লগতে জিলাখনৰ ক্ৰীড়া খণ্ডত নতুন যুগৰ সূচনাৰে খনিকৰত ২৩৮ কোটি টকা ব্যয় সাপেক্ষে বহুমুখী ক্ৰীড়া প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ উদ্বোধন কৰে। তেওঁ লগতে ২০৯ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই ক্ৰীড়া প্ৰকল্পৰ দ্বিতীয় পৰ্যায়ৰ কামৰ আধাৰশিলা স্থাপন কৰে।

শ্ৰীশ্বাহে এই অনুষ্ঠানতে উত্তৰ-পূৰ্বাঞ্চলত বন্যপ্ৰাণী সংৰক্ষণৰ অভিলাষী পদক্ষেপ হিচাপে ডিব্ৰুগড়ৰ দিনজানত বন্যপ্ৰাণী স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠানৰ আধাৰশিলা স্থাপন কৰে। ২৯২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই প্ৰতিষ্ঠানত বন্যপ্ৰাণীৰ স্বাস্থ্য নিৰীক্ষণ, বিভিন্ন প্ৰকাৰৰ ৰোগ নিৰ্ণয়, উন্নত পৰীক্ষাগাৰৰ সুবিধা থকাৰ লগতে বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত কাম কৰা পেচাদাৰী লোকসকলক প্ৰশিক্ষণৰো ব্যৱস্থা থাকিব। তদুপৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন পুঁজিৰ সহায়ত নিৰ্মাণ কৰা অসমৰ জলাশয়সমূহৰ পুনৰ উদ্ধাৰ আৰু পুনৰুজ্জীৱিতকৰণ প্ৰকল্প মুকলি কৰে। ৬৯২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই প্ৰকল্পৰ জৰিয়তে ৰাজ্যৰ ৯খন জিলাত বিজ্ঞানসন্মতভাৱে বাচনি কৰা ১৫ টা জলাশয়ৰ পুনৰুদ্ধাৰ আৰু পুনৰুজ্জীৱিতকৰণৰ ব্যৱস্থা কৰাৰ উপৰি নগাৰাঞ্চলত বানপানীৰ সমস্যা ৰোধ, জলাশয়সমূহৰ জলধাৰণ ক্ষমতা বৃদ্ধি আৰু সামগ্ৰীক বান ব্যৱস্থাপনা শক্তিশালী কৰা হ'ব। শ্ৰীশ্বাহে কয়, যে কেন্দ্ৰীয় চৰকাৰে যোৱাটো বিধানসভা নিৰ্বাচনৰ পূৰ্বে অসমক বানমুক্ত কৰাৰ প্ৰতিশ্ৰুতি দিছিল। সেই প্ৰতিশ্ৰুতি অনুসৰি, কেন্দ্ৰীয় চৰকাৰে এই প্ৰকল্প

আৰম্ভ কৰা বুলি তেওঁ কয়। ৰাজ্যত ৰূপায়ণ হ'বলগীয়া এই প্ৰকল্পই বানৰ সমস্যা নোহোৱা কৰাৰ লগতে কৃষকসকলক যথেষ্ট উপকৃত কৰিব বুলি কয়। এই প্ৰকল্পৰ অধীনত হ'বলগীয়া জলসিঞ্চন ব্যৱস্থাৰ জৰিয়তে ৰাজ্যৰ কৃষকে বছৰত তিনিবাৰ খেতি কৰি লাভান্বিত হ'ব পাৰিব বুলি উল্লেখ কৰি তেওঁ অসমৰ পৰ্য্যটন খণ্ডকো চৰকাৰৰ এই পদক্ষেপে সহায় কৰিব বুলি কয়।

-বাইট-

ডিব্ৰুগড়ৰ কাৰ্য্যসূচীৰ সামৰণি মাৰি শ্ৰীশ্বাহে ধেমাজিৰ কাৰেং চাপৰিত অনুষ্ঠিত মিচিং যুৱ মহোৎসৱৰ সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে।

০০০০০

চলিত বৰ্ষৰ ১ জানুৱাৰীৰ পৰা ৩১ জানুৱাৰীলৈ সমগ্ৰ দেশজুৰি পালন কৰা ৰাষ্ট্ৰীয় পথ সুৰক্ষা মাহৰ লগত সংগতি ৰাখি আজি তেজপুৰ সাহিত্য সভা ভৱনত এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত তেজপুৰ বিধানসভা সমষ্টিৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। সজাগতা সভাখনত সদৌ অসম মটৰ পৰিবহন সন্থাৰ প্ৰাক্তন সভাপতি ৰাতুল শৰ্মাই সভাপতিত্ব কৰে। বিধায়ক পৃথ্বিৰাজ ৰাভাই নিজৰ ভাষণত কয় যে পথ দুৰ্ঘটনাৰ ফলত হোৱা অকাল মৃত্যুৱে কেৱল এটা প্ৰাণ কাঢ়ি নিয়াই নহয়, বৰঞ্চ ই এটা পৰিয়াল আৰু সমগ্ৰ সমাজৰ ওপৰত গভীৰ আৰু স্থায়ী নীতিবাচক প্ৰভাৱ পেলায়। তেওঁ উপস্থিত ৰাইজ তথা চালকসকলক পথ সুৰক্ষাৰ ৫ টা মূল নিৰ্দেশনা - **হেলমেট আৰু ছিলবেল্ট পৰিধান, গাড়ী চলোৱাৰ সময়ত মোবাইল ফোন ব্যৱহাৰ নকৰা, মদ্যপান কৰি বাহন নচলোৱা, যান বাহন আইন মানি চলা আৰু নিৰ্ধাৰিত গতিৰ সীমা অতিক্ৰম নকৰিবলৈ** কঠোৰভাৱে আহ্বান জনায়।

০০০০০

নগাওঁ কেন্দ্ৰীয় কাৰাগাৰৰ এজন কয়দী আজি পলায়ন কৰে। কাৰাগাৰখনৰ বাবুল আলী নামৰ কয়দীজনক চিকিৎসালয়লৈ অনাৰ সময়তে আৰক্ষীৰ জিম্মাৰ পৰা পলায়ন কৰে। উল্লেখযোগ্য যে ভাৰতীয় ন্যায় সংহিতাৰ ৩২৯/৩ - ৩০১, ২৯৯ ধাৰাৰ অধীনত নগাওঁ জিলাৰ ৰূপহীহাট আৰক্ষী থানাত ৩০/৩৬ নম্বৰ গোচৰত আৰক্ষীয়ে সেই কয়দীজনক গ্ৰেপ্তাৰ কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰিছিল। আৰক্ষীয়ে পলাতক বাবুল আলীৰ সন্ধানত অভিযান অব্যাহত ৰাখিছে।

০০০০০

যোৰহাটৰ বিশিষ্ট লোকশিল্পী তথা লোক সংস্কৃতিক সাধক মুকুন্দ মাধৱ বৰাৰ আজি সন্ধিয়া যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত দেহাৱসান ঘটে। যোৰহাটৰ বালিগাঁৱৰ নিৱাসী বৰাৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৫২ বছৰ।

০০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃঃঃঃঃঃঃঃঃঃঃ